# এখন শুদ্ধ নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ বাবে পৰিয়ালৰ বিস্তৃত বংশবৃক্ষ দাখিল কৰাৰ প্ৰয়োজনীয়তা

NRC
NATIONAL REGISTER OF CITIZENS

## কোনো অসাধু ব্যক্তিৰ দ্বাৰা আপোনাৰ বংশৰ লিগেচিৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ আপোনাৰ বংশবৃক্ষৰ বিস্তৃত বিৱৰণ পৰীক্ষণকাৰী বিষয়াসকলক দাখিল কৰক

### বংশবৃক্ষ মানে কি ?

বংশবৃক্ষ হ'ল আপোনাৰ পৰিয়ালৰ বিভিন্ন প্ৰজন্মৰ বিৱৰণ য'ত অন্তৰ্ভুক্ত হ'ব লিগেচি ব্যক্তিৰ সন্তান আৰু তেওঁৰ নাতি-নাতিনীৰ নাম আৰু ঠিকনা।

### আবেদনকাৰীসকলে কিয় বংশবৃক্ষৰ বিৱৰণ দাখিল কৰিব লাগে?

কোনো অসাধু লোকে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা) পৰ্য্যন্ত অসম / ভাৰতৰ যিকোনো ঠাইত বসবাস কৰাৰ প্ৰমাণ থকা ব্যক্তিসকলৰ বংশৰ সৈতে নিজৰ সম্বন্ধ থকাৰ অসত্য দাবী উত্থাপন কৰিব পাৰে।

এনেধৰণৰ অসত্য দাবী চিহ্নিত কৰিবলৈ সম্পৰ্কৰ সকলো যোগসূত্ৰ ভালদৰে পৰীক্ষণ আৰু পুনঃ পৰীক্ষণ কৰাৰ প্ৰয়োজন আছে।

গৃহীত আবেদনপত্ৰসমূহ পৰীক্ষা কৰি কম্পিউটাৰৰ দ্বাৰা পৰিয়ালৰ বংশবৃক্ষ উলিয়াবলৈ ছফ্‌টৱেৰ তৈয়াৰ কৰা হৈছে অৰ্থাৎ এজন লিগেচি ব্যক্তিৰ সন্তান / নাতি-নাতিনী বুলি দাবী কৰা সকলো আবেদনকাৰীৰ বিৱৰণ ইয়াত থাকিব। অসত্য দাবীসমূহ চিনাক্ত কৰিবলৈ পৰীক্ষণকাৰী বিষয়াসকলৰ দ্বাৰা ঘৰে ঘৰে গৈ পৰিয়ালৰ বংশবৃক্ষৰ বিস্তৃত বিৱৰণ আগতীয়াকৈ সংগ্ৰহ কৰা হ'ব। ইয়াক মেনুৱেল বংশবৃক্ষৰ তথ্য সংগ্ৰহ বুলি কোৱা হয়। ইয়াৰ পিছত কম্পিউটাৰসম্ভূত পৰিয়ালৰ বংশবৃক্ষৰ লগত ঘৰে ঘৰে গৈ সংগ্ৰহ কৰা পৰিয়ালৰ মেন্যুৱেল বংশবৃক্ষ মিলাই চোৱা হ'ব। যদি ছফ্‌টৱেৰসম্ভূত বংশবৃক্ষত কোনো ব্যক্তিৰ লগত ৬ গৰাকী ককাই / ভাইয়ে সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰিছে কিন্তু সেই পৰিয়ালটোৱে সেই লিগেচি ব্যক্তিজনৰ ৫ গৰাকী পুত্ৰ থকা বুলিহে উল্লেখ কৰিছে, সেইক্ষেত্ৰত পৰীক্ষণকাৰী বিষয়াসকলে তথাকথিত ষষ্ঠ ব্যক্তিজনৰ দাবী (যাৰ নামৰ উল্লেখ পৰিয়ালৰ মেনুৱেল বংশবৃক্ষত নাই) সহজতেই অসত্য বুলি চিনাক্ত কৰিব পাৰিব।

পৰিয়ালৰ মেনুৱেল বংশবৃক্ষ আগতীয়াকৈ সংগ্ৰহ কৰি লোৱাৰ বাবে কোনো দুষ্ট চক্ৰই আপোনাৰ বংশবৃক্ষৰ লগত সম্পৰ্কৰ অসত্য দাবী জনোৱা অসাধু লোকৰ পৰা ধন দাবী কৰিব নোৱাৰিব।

এন আৰ চি কৰ্তৃপক্ষক আগতীয়াকৈ পৰিয়ালৰ বংশবৃক্ষৰ তথ্য দিলে ক্ষেত্ৰ পৰীক্ষণৰ সময়ত পৰিয়ালৰ সদস্যসকলে সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণ কৰিবলৈ বেছি কষ্ট নহ'ব।

বংশবৃক্ষৰ বিস্তৃত বিৱৰণ দাখিলৰ দ্বাৰা এইদৰে পৰীক্ষণকাৰী বিষয়াৰ দলে (১) অসত্য দাবীসমূহ চিনাক্ত কৰিব পাৰিব (২) ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে কোনো অবৈধ প্ৰবজনকাৰীৰ দ্বাৰা বহুমূলীয়া এই লিগেচি ডাটাৰ অপব্যৱহাৰ ৰোধ কৰিব পাৰিব আৰু (৩) পৰিয়ালৰ সদস্যসকলৰ বাবে সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণৰ ই এক মূল্যৱান তথ্য হ'ব।

### বংশবৃক্ষৰ বিৱৰণ কেনেকৈ দিব?

পৰীক্ষণকাৰীৰ দলে ঘৰে ঘৰে গৈ আবেদনকাৰীসকলৰ পৰিয়ালৰ বংশবৃক্ষ সংগ্ৰহ কৰিব। এন আৰ চি কৰ্তৃপক্ষৰ দ্বাৰা প্ৰস্তুত কৰি উলিওৱা আৰু ঘৰে ঘৰে বিতৰণ কৰা পৰিয়ালৰ বংশবৃক্ষ ফৰ্মখন আগতীয়াকৈ পূৰণ কৰি থ'লে ৰাইজ আৰু পৰীক্ষণকাৰী দল উভয়ৰে সময় ৰাহি হ'ব। এই প্ৰপত্ৰসমূহ এন আৰ চি সেৱা কেন্দ্ৰ আৰু এন আৰ চি, অসমৰ ৱেবচাইটতো (www.nrcassam.nic.in) পোৱা যাব।

### পৰিয়ালৰ বংশবৃক্ষৰ তালিকা পূৰণ কৰাটো ব্যধ্যতামূলক নেকি?

পৰীক্ষণকাৰী দলক দিয়াৰ বাবে বংশবৃক্ষৰ এই প্ৰপত্ৰ আগতীয়াকৈ পূৰণ কৰি প্ৰস্তুত কৰি ৰখাটো বাধ্যতামূলক নহয়। কিন্তু পৰীক্ষণকাৰীৰ দলে যেতিয়া ঘৰে ঘৰে গৈ এই তথ্য সংগ্ৰহ কৰিব, তেতিয়া আবেদনকাৰীয়ে এই তথ্যসমূহ পৰীক্ষণকাৰী দলক জনোৱাটো বাধ্যতামূলক।

**নাগৰিকত্ব (নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয়পত্ৰ প্ৰদান) আইন ২০০৩ৰ ধাৰা ৮ৰ** অধীনত পৰীক্ষণকাৰী বিষয়াসকলক ক্ষমতা প্ৰদান কৰা হৈছে যে, প্ৰয়োজন সাপেক্ষে এই বিষয়াসকলে কোনো ব্যক্তিৰ পৰা অন্য কোনো ব্যক্তিৰ নাগৰিকত্বৰ স্থিতিৰ বিষয়ত তথ্য জানিব বিচাৰিলে সেই ব্যক্তিজনে তেওঁৰ জ্ঞাত তথ্য বিষয়াসকলক জনাবলৈ বাধ্য থাকিব। সেয়েহে, জনসাধাৰণে পৰীক্ষণকাৰী বিষয়াৰ ওচৰত বংশবৃক্ষ দাখিল কৰাটো প্ৰয়োজনীয়।

### যদি কোনো ব্যক্তিয়ে তেওঁলোকৰ পৰিয়ালৰ বংশৰ সকলো সদস্যৰে নাম আৰু ঠিকনা নাজানে তেতিয়া কি হ'ব?

তেনেক্ষেত্ৰত আবেদনকাৰী পৰিয়ালে বংশৰ সেই সদস্যসকলৰ বিৱৰণ দিলেই হ'ব যিসকলৰ বিৱৰণ তেওঁলোকৰ জ্ঞাত। পৰীক্ষণকাৰী বিষয়াৰ দলে পৰিয়ালৰ প্ৰথম প্ৰজন্মৰ নামসমূহ বাধ্যতামূলকভাৱে ল'ব লাগিব আৰু দ্বিতীয় প্ৰজন্মৰ যিসকল সদস্যৰ নাম আৰু তেওঁলোকৰ বাসস্থানৰ ঠিকনা জ্ঞাত নহয়, তেওঁলোকৰ কেৱল ঘৰত মতা নাম উল্লেখ কৰিলেই হ'ব। যদি ঘৰত মতা নামো জ্ঞাত নহয়, তেনেক্ষেত্ৰত সেই লিগেচি ব্যক্তিৰ কেইজন সন্তান আৰু নাতি-নাতিনীৰ আছে বুলি জ্ঞাত সেই সংখ্যাটো উল্লেখ কৰিলেই হ'ব। এই ক্ষেত্ৰত ক্ৰমিক নম্বৰৰ বিপৰীতে 'নাম জ্ঞাত নহয়' বুলি লিখিব লাগিব।

### *পৰিয়ালৰ বংশবৃক্ষ ফৰ্ম কেনেকৈ পূৰণ কৰিব তাৰ এটা উদাহৰণ দিয়া হ'ল ঃ*

আহক, আমি চাওঁ চন্দ্ৰ শৰ্মাৰ কাল্পনিক পৰিয়ালে কিদৰে এই বংশবৃক্ষৰ ফৰ্ম পূৰণ কৰিছে।

এই পৰিয়ালটোৱে এন আৰ চি আবেদনপত্ৰত ৪ (চাৰি)টা লিগেচিৰ তথ্য দাখিল কৰা পৰিলক্ষিত হৈছে ঃ


১. ঘৰখনৰ মুৰব্বী মীৰা শৰ্মাই তেওঁৰ নিজৰ লিগেচি তথ্য যেনে - ১৯৬৬ চনৰ পাছবুক ব্যৱহাৰ কৰিছে।

২. মীৰা শৰ্মাৰ পুত্ৰ চন্দ্ৰ শৰ্মাই আৰু তেওঁৰ পুত্ৰ আৰু নাতিনীয়ে স্বৰ্গীয় জনাৰ্দন শৰ্মাৰ লিগেচি ডাটা কোড ব্যৱহাৰ কৰিছে।

৩. পৰিয়ালৰ বিবাহিতা মহিলা যেনে - চন্দ্ৰ শৰ্মাৰ পত্নী তৰালী শৰ্মা আৰু

৪. উৎপল শৰ্মাৰ পত্নী মণিষা কলিতা শৰ্মাই তেওঁলোকৰ নিজৰ পূৰ্বজসকলৰ লগত সম্পৰ্কৰ প্ৰমাণ ব্যৱহাৰ কৰিছে।

এইদৰে এই পৰিয়ালটোৱে নিম্নলিখিত ৪ (চাৰি) খন বংশবৃক্ষৰ ফৰ্ম পূৰণ কৰিব ঃ



### *মেনুৱেল বংশবৃক্ষৰ ফৰ্ম পূৰণ কৰাৰ সময়ত নিম্নলিখিত কথাখিনি মন কৰিব ঃ*

১. কোনো পৰিয়ালে যদি ১৯৫১ চনৰ এন আৰ চি নাইবা ১৯৭১ চনৰ ২৪ মাৰ্চৰ পূৰ্বৰ যিকোনো ভোটাৰ তালিকাৰ বাদে অন্যান্য গ্ৰহণযোগ্য নথি ব্যৱহাৰ কৰিছে, সেইক্ষেত্ৰত "লিগেচি ডাটা কোড (এল ডি চি)"ৰ বিপৰীতে থকা বাকচটো খালী ৰাখিব লাগিব।

২. যদি কোনো লিগেচি ব্যক্তিৰ এগৰাকীতকৈ অধিক স্বামী বা স্ত্ৰী থাকে, তেনেহ'লে তেওঁলোকৰ নাম 'কমা'ৰ দ্বাৰা পৃথকভাৱে লিখিব লাগিব।

৩. পৰিয়ালৰ সকলো মৃত সদস্যৰ নাম (যদি থাকে) পৰিয়ালৰ বংশবৃক্ষত উল্লেখ কৰিব লাগিব।

৪. লিগেচি ব্যক্তিজনৰ সকলো জ্ঞাত লিগেচি ডাটা কোড (এল ডি চি) বংশবৃক্ষ ফৰ্মত উল্লেখ কৰিব লাগিব যাতে, অন্য এল ডি চিসমূহ কোনো অসাধু ব্যক্তিয়ে অপব্যৱহাৰ কৰিব নোৱাৰে।

৫. পৰিয়ালৰ বিবাহিতা জিয়ৰীৰ নামো ইয়াত উল্লেখ কৰিব লাগিব।

৬. পৰিয়ালৰ বংশবৃক্ষৰ ফৰ্ম অসমীয়া / বাংলা / বড়ো / ইংৰাজীত পূৰণ কৰিব পাৰিব।

৭. পৰিয়ালৰ বংশবৃক্ষৰ বিৱৰণ পৰীক্ষণকাৰী দলৰ বিষয়াসকলক এবাৰ দিয়াৰ পিছত তাক আৰু পৰিবৰ্তন বা উঠাই ল'ব নোৱাৰিব।

*নিৰপেক্ষ পৰীক্ষণ প্ৰক্ৰিয়াৰ দ্বাৰা এখন শুদ্ধ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰকাশ কৰি উলিয়াবলৈ আমি দায়বদ্ধ। সেয়েহে, সকলো পৰিয়ালে বংশবৃক্ষৰ তথ্য দিয়াটো প্ৰয়োজনীয়।*
*ইয়াৰ দ্বাৰা আমি দোহাৰিছোঁ যে, উন্নীতকৃত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত কোনো বিদেশীৰ নাম অন্তৰ্ভুক্ত নহ'ব আৰু কোনো প্ৰকৃত ভাৰতীয়ৰ নাম বাদ নপৰিব*

| *বিশদভাৱে জানিবলৈ আৰু সহায়ৰ বাবে* | আমাৰ টোল ফ্ৰী হেল্পলাইন নম্বৰ ১৫১০৭ (15107) | আমাৰ ৱেবচাইট www.nrcassam.nic.in | ৰাজ্যিক সমন্বয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীয়ন, অসমৰ দ্বাৰা জনহিতাৰ্থে প্ৰচাৰিত। |
|---|---|---|---|

nrcassam @NRCupdateAssam ত চাওঁক

Exclusive/NRC/11-2015/28